জাতিৰ আৱেগ সমাজৰ বিবেক

# দৈনিক জনমভূমি

portal : www.janambhumi.in e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

ation

Pass

Pass

Pass

VIII

Awaded
. of India

TICS
entre
ONS)

সাংসদ ৰামেশ্বৰ তেলী আৰু ডিগবৈৰ বিধায়ক সুৰেন ফুকনে বক্তব্য দাঙি ধৰি কেন্দ্ৰীয় চৰকাৰৰ জনকল্যাণমূলক আঁচনি সম্পৰ্কে অৱগত কৰাৰ লগতে আয়ুষ্মান কাৰ্ডৰ অধীনত সকলো শ্ৰেণীৰ লোকক সামৰি লোৱা হ'ব বুলি কয়। আনহাতে, আয়ুষ্মান ভাৰতৰ অধীনত ডিগবৈ সমষ্টিৰ নিৰান্নৈৰ হাজাৰ লোকক কাৰ্ড বিতৰণ কৰা হ'ব বুলি বিধায়ক সুৰেন ফুকনে অৱগত কৰে। তিনিচুকীয়া জিলাৰ অতিৰিক্ত উপায়ুক্ত (স্বাস্থ্য) চিন্ময় পাঠক, তিনিচুকীয়া জিলা পৰিষদৰ উপ-সভাপতি হিৰণ্য দেৱী বৰুৱা, ডিগবৈ পৌৰসভাৰ পৌৰপতি সুদীপ দত্ত চৌধুৰী, উপ-পৌৰপতি ডিম্পী সোণোৱালসহ তিনি শতাধিক কাৰ্ড লাভাৰ্থী, আশাকৰ্মী, জীৱিকা সখী আৰু ৰাইজ উপস্থিত থকা অনুষ্ঠানত কেন্দ্ৰীয় বাণিজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু বিধায়ক সুৰেন ফুকনে লাভাৰ্থীসকলক আয়ুষ্মান ভাৰত কাৰ্ড বিতৰণ কৰে।

ডিগবৈত

## ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১৫ জুন ঃ 'শিক্ষকতাই মোৰ প্ৰথম পৰিচয়, মই নিজকে শিক্ষক হিচাপে পৰিচয় দিয়ে ভাল পাওঁ। মই অতীততো শিক্ষক, বৰ্তমানো শিক্ষক আৰু ভৱিষ্যতেও শিক্ষক হৈয়ে থাকিব বিচাৰিম।' ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসত মুখ্য বক্তা হিচাপে গ্ল'বেল বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° এছ পি সিঙে আজি এইদৰে কয়। 'Future of Higher Education in the light of Sustainable Development Goals (SDG) শীৰ্ষক বিষয়ত ড° লক্ষ্মীপ্ৰসাদ দত্ত স্মাৰক বক্তৃতাত উপাচাৰ্যগৰাকীয়ে কয়— বৰ্তমান পৃথিৱীত আমি সকলোৱে মহা শক্তিৱান হোৱাৰ দিশে ধাৱমান হৈছোঁ। আমাক মহাশক্তিৱান হোৱাৰ ক্ষেত্ৰত সমল যোগায় প্ৰাকৃতিক সম্পদসমূহে। বৰ্তমান সময়ত পৰিৱেশৰ লগত লৈ সমান্তৰালভাৱে আগুৱাই বহনক্ষম বিকাশৰ দিশে কি ধৰণেৰে আগুৱাব পাৰি সেইটোৱেই গুৰুত্বপূৰ্ণ বিষয় বুলি মত প্ৰকাশ কৰি কয় এই ক্ষেত্ৰত উচ্চ শিক্ষানুষ্ঠানসমূহৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। পুৱা মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱাই পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° যোগীৰাজ বসু, প্ৰতিষ্ঠাপক উপাধ্যক্ষ ড° লক্ষ্মীপ্ৰসাদ দত্ত আৰু প্ৰতিষ্ঠাপক সম্পাদক অশ্বিনীচৰণ চৌধুৰীৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী আৰু বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক অভিজিৎ বৰুৱাই। অতিথিসকলক মুখ্যদ্বাৰৰ পৰা সভাগৃহলৈ গায়ন-বায়ন, এন চি চিৰ কেডেটে আদৰণি জনাই অনা অনুষ্ঠানটোত সমৱেত সংগীত পৰিৱেশন কৰে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলে। দাতা সদস্য জ্যোতি প্ৰসাদ কানৈয়ে বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানটোত আদৰণী ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। তেওঁ কয় আজি মহাবিদ্যালয়খনৰ কাৰণে এটা ঐতিহাসিক দিন। মহাবিদ্যালয়খনে ৭৮ বছৰ অতিক্ৰম কৰা এই সময়ছোৱা মহাবিদ্যালয়খনৰ ইতিহাসত এক মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈ থাকিব। অধ্যক্ষগৰাকীয়ে লগতে মহাবিদ্যালয়খন প্ৰতিষ্ঠা লগ্নত যিসকল শিক্ষাসদী, দূৰদৰ্শী, স্বপ্নদ্ৰষ্টা ব্যক্তি জড়িত হৈ আছিল সেইসকলক শ্ৰদ্ধাৰে স্মৰণ কৰে। মহাবিদ্যালয়ৰ অধ্যাপিকা ড° তৃষ্ণা দুৱৰা কলিতা আৰু ড° মৰমী তালুকদাৰে আঁত ধৰা অনুষ্ঠানটো উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অধ্যাপক তথা ছাত্ৰ পৰিক্ৰমাৰ ডীন ড° সুৰজিৎ বৰকটকীয়ে।

১৮; নিলাম আৰম্ভণিৰ তাৰিখ আৰু সময় (সকলো লট) ঃ ০৫ ঘণ্টাত। নিলাম বন্ধৰ তাৰিখ আৰু সময়ঃ ০৫-০৭-২০২৩ তাৰি ইউনিটঃ বাৰ্ষিক অনুজ্ঞাপত্ৰৰ মাচুল। ট্ৰিপচ/দিনঃ ১৮২৭।

| এছইকিউ নং. | লট নং. | |
|---|---|---|
| এএ/১ | চিএটিজি-টিএছকে-এছপিকে-জিএমইউ -৬৭-২৩-১ | পিএফ-১ত, আকাৰ ৮×৪ |
| এএ/২ | চিএটিজি-টিএছকে-এজিআই-জিএমইউ -১০৩-২৩-১ | পিএফ-১ত, আকাৰ ৮×৪ |
| এএ/৩ | চিএটিজি-টিএছকে-এছপিকে-জিএমইউ-৬৮-২৩-১ | পিএফ-১ত, আকাৰ ৮×৪ |
| এএ/৪ | চিএটিজি-টিএছকে-এজিআই -জিএমইউ-১০৪-২৩-১ | পিএফ-১ত, আকাৰ ৮×৪ |
| এএ/৫ | চিএটিজি-টিএছকে-এছপিকে-জিএমইউ-২৮-২২-১ | সাপেখাতী (পিএফ -১ |
| এবি/১ | চিএটিজি-টিএছকে-এজিআই-এছএমইউ-১০৬-২৩-১ | পিএফ-১ত, আকাৰ ৮×৪ |
| এবি/২ | চিএটিজি-টিএছকে-এজিআই-এছএমইউ-৭-২২-১ | আমগুড়ি (পিএফ -১ |
| এবি/৩ | চিএটিজি-টিএছকে-এছপিকে-এছএমইউ-৬৬-২৩-১ | পিএফ-১ত, আকাৰ ৮×৪ |
| এবি/৪ | চিএটিজি-টিএছকে-এজিআই-এছএমইউ-১০৫-২৩-১ | পিএফ-১ত, আকাৰ ৮×৪ |
| এবি/৫ | চিএটিজি-টিএছকে-এছপিকে-এছএমইউ-৬৫-২৩-১ | পিএফ-১ত, আকাৰ ৮×৪ |

এই নিলাম কেটেলগখন ইতিমধ্যে ১৩-০৬-২০২৩ তাৰিখে মাধমেৰে প্ৰকাশিত হৈছে।